**প্ৰযুক্তিৰ সম/ন্যায্য ব্যৱহাৰৰ বাবে বিদ্যালয়ৰ প্ৰধানসকলৰ নেতৃত্বৰ গুণ আৰু ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ ফলাফলৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ (Leadership Qualities of Principals for Equitable Use of Technology and its Impact on Learning Outcomes of Students)**

-ৰাজু বৰুৱা
জেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান
ডিফু, কাৰ্বি আংলং, অসম

## প্ৰস্তাৱনা (Introduction):

প্ৰযুক্তি আমাৰ দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে, শিক্ষা খণ্ডৰ ক্ষেত্ৰতো একেই কথা ক'ব পাৰি। শিক্ষাব্যৱস্থাত প্ৰযুক্তিৰ ব্যৱহাৰৰ বৃদ্ধিৰ লগে লগে বিদ্যালয়ৰ প্ৰধান সকলে নিজৰ প্ৰতিষ্ঠানত প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰক প্ৰসাৰিত কৰিবলৈ প্ৰয়োজনীয় নেতৃত্বৰ গুণৰ অধিকাৰী হোৱাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। বৰ্তমান প্ৰযুক্তিয়ে বিপুল পৰিমাণৰ তথ্যৰ সুবিধা প্ৰদান কৰি, সহযোগিতা আৰু যোগাযোগক প্ৰসাৰিত কৰি শিকন-শিক্ষণ ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীৰ জড়িতকৰণ বৃদ্ধি কৰি, পাঠদান আৰু শিকন-শিক্ষণ ব্যৱস্থাক এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে।

বিদ্যালয়ত প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰক প্ৰসাৰিত কৰাত অধ্যক্ষসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। তেওঁলোকে প্ৰযুক্তিৰ সংহতিক সমৰ্থন কৰা আৰু সকলো ছাত্ৰ-ছাত্ৰীয়ে সম সুবিধা আৰু সুযোগ লাভ কৰাটো নিশ্চিত কৰি এক অনুকূল পৰিৱেশ সৃষ্টিৰ বাবে দায়বদ্ধ। সেইবাবেই এই মিডয়ুলৰ লক্ষ্য হৈছে অধ্যক্ষসকলক তেওঁলোকৰ বিদ্যালয়ত প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰক প্ৰসাৰিত কৰাৰ বাবে প্ৰয়োজনীয় নেতৃত্বৰ গুণসমূহৰ বিষয়ে আলোচনাৰ মাধ্যমেৰে জ্ঞাত কৰা।

ছাত্ৰ-ছাত্ৰীৰ শিকন ফলাফলত প্ৰযুক্তিৰ প্ৰভাৱৰ সন্দৰ্ভতো এই মডিয়ুলত আলোচনা কৰা হ'ব। এইটো বহুলভাৱে স্বীকাৰ কৰা হৈছে যে প্ৰযুক্তিক ফলপ্ৰসূভাৱে শিক্ষন-শিকন প্ৰক্ৰিয়াত সমন্বিত কৰিলে ছাত্ৰ-ছাত্ৰীৰ শিকন ফলাফল যথেষ্ট পৰিমানে উন্নত কৰিব পাৰি। কিন্তু প্ৰযুক্তিৰ সঠিক ব্যৱহাৰ নকৰিলে এই ক্ষেত্ৰত নেতিবাচক পৰিণতিও হ'ব পাৰে। সেয়েহে বিদ্যালয়ৰ প্ৰধানসকলৰ, শিক্ষাত প্ৰযুক্তি সমন্বিতকৰণৰ সুবিধা আৰু সীমাবদ্ধতাৰ বিষয়ে গভীৰ বোধ থকাটো আৰু তেওঁলোকৰ বিদ্যালয়ত প্ৰযুক্তিৰ ন্যায্য আৰু ফলপ্ৰসূ ব্যৱহাৰক প্ৰসাৰিত কৰিবলৈ প্ৰয়োজনীয় নেতৃত্বৰ দক্ষতাৰে সজ্জিত হোৱাটো অতি গুৰুত্বপূৰ্ণ।

এই মডিয়ুলে বিদ্যালয়ৰ প্ৰধানসকলক বিদ্যালয়ত প্ৰযুক্তিৰ প্ৰৱেশ আৰু ব্যৱহাৰৰ সুস্থ সংস্কৃতি সৃষ্টি কৰিবলৈ প্ৰয়োজনীয় জ্ঞান আৰু দক্ষতা প্ৰদান কৰিব। শিক্ষকসকলে পেছাদাৰী বিকাশৰ সুযোগো ইয়াৰ জৰিয়তে লাভ কৰিব, লগতে বিদ্যালয়ৰ স'তে সমাজ আৰু অংশীদাৰসকলৰ জড়িত কৰণত সহায় হব, আৰু তেওঁলোকৰ প্ৰতিষ্ঠানসমূহত প্ৰযুক্তিৰ সফলসমন্বিতকৰণৰ নিৰীক্ষণ আৰু মূল্যায়ন কৰিব পাৰিব। এই মিডয়ুলৰ

জড়িয়তে বিদ্যালয়ৰ প্ৰধানসকলে, তেওঁলোকৰ বিদ্যালয়সমূহক প্ৰযুক্তিৰ ফলপ্ৰসূ আৰু ন্যায্য ব্যৱহাৰৰ দিশত আগবঢ়াই নিবলৈ সক্ষম হ'ব আৰু ছাত্ৰ-ছাত্ৰী সকলৰ শিকন ফলাফল বৃদ্ধি কৰিব।

## মডিয়ুলৰ উদ্দেশ্য:(Objectives of the Module)

এই মিডয়ুলৰ উদ্দেশ্য হৈছে –

a. শিক্ষাত প্ৰযুক্তিৰ ভূমিকা আৰু ছাত্ৰ-ছাত্ৰীৰ শিকন ফলাফলত ইয়াৰ সম্ভাৱ্য প্ৰভাৱ বুজি পোৱা।
b. বিদ্যালয়ৰ প্ৰধানসকলক তেওঁলোকৰ প্ৰতিষ্ঠানত প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰক প্ৰসাৰিত কৰাৰ বাবে প্ৰয়োজনীয় নেতৃত্বৰ গুণেৰে সজ্জিত কৰা।
c. বিদ্যালয়ৰ প্ৰধানসকলক তেওঁৰ শিক্ষকসকলক প্ৰযুক্তি ব্যৱহাৰৰ ক্ষেত্ৰত পেছাদাৰী বিকাশৰ সুযোগ প্ৰদান কৰাৰ বাবে দক্ষতা প্ৰদান কৰা।
d. বিদ্যালয়ৰ প্ৰধানসকলক তেওঁলোকৰ বিদ্যালয়সমূহত প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰক প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত সমাজ আৰু অংশীদাৰসকলৰ সৈতে জড়িত হ'বলৈ সক্ষম কৰা।
e. বিদ্যালয়ৰ দৃষ্টিভংগী আৰু লক্ষ্যৰ(vision and goals) সৈতে মিল থকা প্ৰযুক্তি সমন্বিতকৰণৰ পৰিকল্পনা প্ৰস্তুত কৰা।
f. ছাত্ৰ-ছাত্ৰীৰ শিকন ফলাফল বৃদ্ধিৰ ক্ষেত্ৰত প্ৰযুক্তি সংহতিৰ ফলপ্ৰসূতা মূল্যায়ন কৰা।
g. বিদ্যালয়ত প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰক প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত কাৰ্যক্ষম আচনি প্ৰস্তুত আৰু ৰূপায়ন কৰা।

## মূল শব্দ(Keywords):

প্ৰযুক্তিৰ সমন্বিতকৰণ(Technology integration), ন্যায্য ব্যৱহাৰ(Equitable use), শিকন ফলাফল(learning outcomes), পেছাদাৰী/বৃত্তিগত বিকাশ (Professional development), নেতৃত্বৰ গুণ (Leadership qualities), সমাজ জড়িত কৰণ (Community engagement), Safe and Secure (নিৰাপদ আৰু সুৰক্ষিত)

## কাৰ্য-১

<u>স্ব-মূল্যায়ন ( Self Evaluation):</u>

- প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত আপুনি নিজে কোন পৰ্য্যায়ত আছে ?
- নতুন চিন্তা আৰু প্ৰযুক্তিৰ গ্ৰহণৰ ক্ষেত্ৰত আপুনি কিমান আগ্ৰহী ?
- নতুন চিন্তা আৰু প্ৰযুক্তিৰ গ্ৰহণৰ ক্ষেত্ৰত আপুনি আনক উৎসাহিত কৰেনে ?
- প্ৰধান শিক্ষক হিচাপে আপোনাৰ বিদ্যালয়ত প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰৰ ক্ষেত্ৰত আপুনি গ্ৰহণ কৰা বা কৰিব পৰা কেইটামান মুখ্য পদক্ষেপ উল্লেখ কৰক।

প্ৰতিটো প্ৰশ্নৰ বিপৰীতে আপোনাৰ মন্তব্য লিখক আৰু সৰু দলত আলোচনা কৰি এই ক্ষেত্ৰত আপুনি গ্ৰহণ কৰিবলগীয়া কাৰ্যাৱলীৰ এখন তালিকা প্ৰস্তুত কৰক।

(আলোচনাৰ সময়-২০ মিনিট)

**কাৰ্য-২: প্ৰযুক্তি সমন্বিত শিক্ষা (Technology Integrated Education)**
**আলোচনাৰ সময়- ১৫ মিনিট**
**দলগত কাৰ্য**
**কাৰ্য সম্পাদনৰ পদক্ষেপসমূহ:**

- অংশগ্ৰহণকাৰীসকলক ৮-১০ জনীয়া দলত ভাগ কৰিব।
- অংশগ্ৰহণকাৰীসকলক বিদ্যালয়ৰ যিকোনো বিষয়ৰ এটা পাঠ নিজৰ পছন্দ অনুসৰি নিৰ্বাচিত কৰিবলৈ ক'ব।
- অংশগ্ৰহণকাৰীসকলক তেওঁলোকৰ পছন্দ অনুসৰি পাঠ আদান প্ৰদানত কোন সময়ত কি ধৰণৰ প্ৰযুক্তিৰ কেনেধৰনে ব্যৱহাৰ কৰিব তাক উল্লেখ কৰিবলৈ ক'ব।
- প্ৰযুক্তিৰ ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীৰ শিকনত কেনেধৰণৰ পৰিবৰ্তন আনিব তাক উল্লেখ কৰিব।
- প্ৰত্যেক দলে অন্যদলসমূহৰ বক্তব্যৰ আধাৰত তেওঁলোকৰ বিশ্লেষণ আগবঢ়াব।
- দলসমূহৰ বক্তব্যৰ আধাৰত প্ৰযুক্তি সমন্বিত শিক্ষাৰ বিষয়ত এটা স্পষ্ট ধাৰণা গঠন হ'ব।

## প্ৰতিফলনমূলক প্ৰশ্ন(Reflective Questions)

- আপুনি আপোনাৰ বিদ্যালয়ৰ কামত প্ৰযুক্তিৰ ব্যৱহাৰ কৰিবলৈ যত্ন কৰিছেনে।

- আপুনি অন্য শিক্ষকক প্ৰযুক্তিৰ ব্যৱহাৰ কৰিবলৈ কেনেধৰনে অভিৰোচিত কৰিছে। এই ক্ষেত্ৰত আপুনি কি কি ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখিন হৈছে।
- শিকন ফলাফলৰ উত্তোৰণত প্ৰযুক্তিৰ ব্যৱহাৰৰ সুবিধা সমূহ কি কি।

**কাৰ্য-৩ ( পৰিস্থিতি অধ্যয়ন),**
**সময়-১৫ মিনিট**

**প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰৰ সময়ত ল'ব লগা সাবধানতা ( Saftey and Security measures at the time use of Equitable Technology)**

আপোনাৰ মতামত দাঙি ধৰক ( উপযুক্ত পৰিস্থিতি অধ্যয়ন/উদাহৰণৰ জৰিয়তে আপোনাৰ মতামত প্ৰকাশ কৰক।)।

| |
|---|
| ১) Online শিক্ষাৰ ক্ষেত্ৰত<br>২) Online সামগ্ৰী কিনা-বেচাৰ ক্ষেত্ৰত<br>৩) মবাইল ব্যৱহাৰৰ ক্ষেত্ৰত<br>৪) Social Media ব্যৱহাৰৰ ক্ষেত্ৰত<br>৫) Online বেংক সেৱা ব্যৱহাৰৰ ক্ষেত্ৰত |

**প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰত নেতৃত্বৰ প্ৰয়োজনীয়তা ( Needs of Leadership Quality on Equatiable use of Technology)**

শিক্ষানুষ্ঠানত প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰক প্ৰসাৰিত কৰিবলৈ প্ৰয়োজনীয় জ্ঞান, দক্ষতা আৰু গুণেৰে সজ্জিত প্ৰধান শিক্ষকৰ পৰা শক্তিশালী নেতৃত্বৰ প্ৰয়োজন বুলি আপুনি ভাবেনে? তেওঁলোকৰ প্ৰতিষ্ঠানত প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰক প্ৰসাৰিত কৰাৰ বাবে প্ৰধান শিক্ষকসকলক প্ৰয়োজনীয় নেতৃত্বৰ গুণৰ কিছুমান দিশ তলত উল্লেখ কৰা হৈছে। প্ৰতিটো দিশত আপোনাৰ মন্তব্য আগবঢ়াওক, আৰু নতুন কিছু দিশৰ সংযোগ সাধন কৰক। সৰু দলত আপেনাৰ মতামত উপস্থাপন কৰি আলোচনা কৰক।

- ✓ প্ৰশিক্ষণ আৰু পেছাদাৰী/বৃত্তিগত বিকাশৰ ব্যৱস্থা কৰা।
- ✓ সহযোগিতাক উৎসাহিত কৰা।
- ✓ উদ্ভাৱনৰ সংস্কৃতিক উৎসাহিত কৰা।
- ✓ শক্তিশালী যোগাযোগ দক্ষতা বিকাশ কৰা।

- ✓ আদৰ্শ তথা উদাহৰণেৰে নেতৃত্ব দিয়া।

দলগত আলোচনাৰ শেষত প্ৰতিটো দলৰ পৰা এজনে দলৰ চিন্তাক সকলোৰে আগত উপস্থাপন কৰিব।

## কাৰ্য-৫

## চিন্তন বৈঠক (Brainstorming Session)

## সময়- ১০ মিনিট

### প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰক প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত সমাজ আৰু অংশীদাৰৰ গুৰুত্ব

অংশগ্ৰহণকাৰীসকলক সমাজ আৰু অংশীদাৰক বিদ্যালয়ত ন্যায্য প্ৰযুক্তি ব্যৱহাৰৰ প্ৰসাৰত অংশীদাৰ কৰাবলৈ কি কি পদক্ষেপ গ্ৰহণ কৰিব পাৰি তথা তেওঁলোকক এই ক্ষেত্ৰত সৃষ্টিশীলভাৱে চিন্তা কৰিবলৈ কেনেদৰে উৎসাহিত কৰাব পাৰি সেই বিষয়ে চিন্তা কৰিবলৈ দিব। সৰু দলত ভাগ হৈ আলোচনা কৰাৰ পাছত দলগতভাৱে উপস্থাপন কৰিব।

## প্ৰতিফলনমূলক প্ৰশ্ন (Reflective Questions)

মই কেনেকৈ নিশ্চিত কৰিব পাৰো যে বিদ্যালয় সমাজৰ সদস্য আৰু অংশীদাৰসকলে ন্যায্য প্ৰযুক্তিৰ প্ৰৱেশৰ গুৰুত্ব বুজি পায়, আৰু ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বাবে এই পদ্ধতিৰ সুবিধাসমূহৰ বিষয়ে সচেতন হয়?

প্ৰযুক্তিৰ ব্যৱহাৰৰ বিষয়ে বিদ্যালয় সমাজৰ সদস্য, অংশীদাৰ, আৰু বিদ্যালয়ৰ কৰ্মীসকলৰ মাজত মুকলি আৰু সহযোগিতামূলক আলোচনা প্ৰসাৰিত কৰিবলৈ মই কি কি কৌশল ব্যৱহাৰ কৰিব পাৰো?

প্ৰযুক্তিৰ সুবিধাসমূহ ব্যৱহাৰ কৰোঁতে সমান্তৰালভাৱে আহিব পৰা সম্ভাব্য বিপদ আৰু অসুবিধাসমূহৰ সৈতে ভাৰসাম্য ৰক্ষা কৰি চলিবৰ বাবে ছাত্ৰ-ছাত্ৰী, আৰু শিক্ষকক আপুনি কি কি পৰামৰ্শ আগবঢ়াম।

### মুখ্য বাৰ্তা (Key Message)

প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰক প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত বিদ্যালয়ৰ প্ৰধানসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাঅতি গুৰুত্বপূৰ্ণ। ডিজিটেল ইকুইটিক অগ্ৰাধিকাৰ দিয়াৰ ফলত বিদ্যালয়ৰ প্ৰধান সকলে ডিজিটেল বিভাজন বন্ধ কৰাত সহায় কৰিব পাৰে আৰু ডিজিটেল যুগত সফল হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়োজনীয় সঁজুলিৰে সজ্জিত কৰিব পাৰে।

## সাৰংশ আৰু সামৰণি (Summary and Conclusion)

এই মডিয়ুলৰ মূল বাৰ্তাটো হ'ল বিদ্যালয়সমূহত প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰক প্ৰসাৰিত কৰাত বিদ্যালয়ৰ প্ৰধান সকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অধ্যক্ষসকলে নেতৃত্বৰ গুণ আৰু কৌশল বিকশিত কৰি নিশ্চিত কৰিব পাৰে যাতে সকলো ছাত্ৰ-ছাত্ৰীয়ে প্ৰযুক্তিৰ সমান সুবিধা লাভ কৰে আৰু ডিজিটেল যুগত নিজকে সফল ভাবে থিয় কৰাবলৈ সাজু হয়। এই মডিয়ুলে অধ্যক্ষসকলক, তেওঁলোকৰ বিদ্যালয়ত প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰক কেনেকৈ প্ৰসাৰিত কৰিব পাৰে তাৰ ব্যৱহাৰিক নিৰ্দেশনা প্ৰদান কৰাত গুৰুত্ব প্ৰদান কৰিছে, আৰু ইয়াৰ সফল

ৰূপায়ণৰ বাবে উত্তম পদ্ধতি আৰু সম্পদসমূহৰো বিষয়েও বৰ্ণনা কৰিছে। এনেদৰে বিদ্যালয়ৰ প্ৰধান সকলে প্ৰযুক্তিৰ ন্যায্য ব্যৱহাৰক অগ্ৰাধিকাৰ দি, ডিজিটেল বিভাজন বন্ধ কৰাত সহায় কৰিব পাৰে আৰু সকলো ছাত্ৰ-ছাত্ৰীক সফলতা লাভ কৰিবলৈ প্ৰয়োজনীয় সঁজুলিসমূহ প্ৰদান কৰিব পাৰে।

**Resources:**


National Education Association. (2021). Closing the Digital Divide: Leadership for Teacher and Learning in the Digital Age. Retrieved from https://www.nea.org/professional-excellence/student-learning/closing-digital-divide-leadership-teacher-and-learning-digital-age

Consortium for School Networking. (2019). Leading Digital Transformation: Superintendent and Principal Perspectives. Retrieved from https://cosn.org/leading-digital-transformation-superintendent-and-principal-perspectives

International Society for Technology in Education. (2021). Digital Equity Toolkit. Retrieved from https://www.iste.org/resources/product?id=4433

EdTech Magazine. (2021). 10 Strategies for Digital Equity. Retrieved from https://www.edtechmagazine.com/k12/article/2021/02/10-strategies-digital-equity